# দিছপুৰ মহাবিদ্যালয়ত 'গান্ধী স্মৃতিচাৰণ পষেক'

**প্ৰতিদিন বিশেষ সেৱা, গুৱাহাটী, ৪ অক্টোবৰ** ঃ জাতিৰ পিতা মহাত্মা গান্ধীৰ আদৰ্শৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জনাই দিছপুৰ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ গোটৰ বিষয়া সুতীব্ৰ মালাকাৰৰ নেতৃত্বত 'গান্ধী স্মৃতিচাৰণ পষেক' উদ্‌যাপন কৰা হয়। ১৬ ছেপ্টেম্বৰৰ পৰা ২ অক্টোবৰলৈ অনুষ্ঠিত এই পষেকজোৰা কাৰ্যসূচীৰ লক্ষ্য হ'ল গান্ধীজীৰ অহিংসা, আত্মনিৰ্ভৰশীলতা, বহনক্ষমতা আৰু নৈতিক নেতৃত্বৰ চিৰস্থায়ী দৰ্শনসমূহ পুনৰাবৃত্তি কৰা আৰু যুৱ প্ৰজন্মক বিকশিত ভাৰত নিৰ্মাণত এই আদৰ্শবোৰ মূৰ্ত কৰিবলৈ অনুপ্ৰাণিত কৰা। দিছপুৰ মহাবিদ্যালয়ৰ ইকো ক্লাবৰ সহযোগত আৰু ইকো ক্লাবৰ আহ্বায়ক ড° মনালিছা ভট্টাচাৰ্য আৰু সুতীব্ৰ মালাকাৰৰ নেতৃত্বত এই অভিযানত অৰ্জুন, আমলখি, বৰজাম, শিলিখা, কঁঠাল, ভোমোৰাকে ধৰি বিভিন্ন প্ৰজাতিৰ ৭৫ টাতকৈও অধিক গছপুলি ৰোপণ কৰা হয়। পষেকজোৰা কাৰ্যসূচী আনুষ্ঠানিকভাৱে ২ অক্টোবৰত গান্ধী জয়ন্তী উদ্‌যাপনৰ জৰিয়তে সমাপ্ত কৰা হয় যদিও এই অনুষ্ঠানৰ লগত সংগতি ৰাখি ৯ অক্টোবৰত মহাবিদ্যালয়ৰ প্ৰতিমা বৰুৱা পাণ্ডে প্ৰেক্ষাগৃহত 'ভাৰত ঃ এক চিন্তাধাৰা' শীৰ্ষক ৰাজ্যিক পৰ্যায়ৰ আন্তঃশিক্ষানুষ্ঠানিক কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। যোগাযোগৰ নম্বৰ ৯৯৫৭৯-০৩৯১৩ অথবা ৬০০২১-১৮০২০।

